# স্পষ্টীকৰণ

যোৱা ইং ২৭-০৮-২০১৫ তাৰিখে "নিয়মীয়া বাৰ্তা" কাকতত প্ৰকাশিত "নিশা ৰাইজে ঘেৰাও কৰিলে ধমধমা আৰক্ষী চকী, ডি ভোটাৰ ঃ সন্তানসহ মাতৃক গ্ৰেপ্তাৰ" শীৰ্ষক বাতৰিটো নলবাৰী আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে স্পষ্টীকৰণ যোগে কয় যে, বাতৰিত প্ৰকাশ পোৱাৰ দৰে হাঁহদলী গাঁৱৰ আলো মালাকাৰক সন্তানসহ ডি ভোটাৰ হিচাপে ধমধমা আৰু সীমান্ত শাখাৰ আৰক্ষী বাহিনীয়ে গ্ৰেপ্তাৰ কৰাতো সত্য নহয়। দৰাচলতে, যোৱা ইং ২৫-০৮-২০১৫ তাৰিখে ধমধমা আৰক্ষী চকীৰ আৰক্ষী বিষয়া তথা সীমান্ত শাখাৰ আৰক্ষীয়ে মহিলা আৰক্ষী সহ নিশা প্ৰায় ৯ বজাত মহামান্য নলবাৰী বিদেশী ন্যায়াধীকৰণে এফ্ টি মোং নং ২৫৫৯/২০০৬ আৰু এচ্ পি ৰেফাৰেন্স নং ১৪৩/২০০৩ মতে যোৱা ০৮-০৬-২০১৫ তাৰিখে বিদেশী বুলি চিনাক্ত কৰা আলো মালাকাৰক (স্বামী ঃ- গোবিন্দ মালাকাৰ) ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত হাঁহদলী গাঁৱৰ নিজ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। তদুপৰি, বাতৰিত প্ৰকাশ পোৱাৰ দৰে কোনো মহিলা আৰক্ষী নোহোৱাকৈ আলো মালাকাৰক গ্ৰেপ্তাৰ কৰাটো সত্য নহয়। তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ যাওঁতে মহিলা আৰক্ষীও লগত আছিল।

২৮/০৮/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী